0000000000

**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৰাজ্যখনৰ শিক্ষা খণ্ডত নতুনত্বৰ সঞ্চাৰ কৰা অসম চৰকাৰৰ শিক্ষা সেতু এপে প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা প্ৰশাসন উৎকৰ্ষ বঁটা লাভ কৰিছে। সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বঁটা প্ৰদান কৰে। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালক ড° ওম প্ৰকাশে এই বঁটা গ্ৰহণ কৰে। ৰাজ্যৰ বিদ্যালয়সমূহৰ ব্যৱস্থাপনাৰ দিশত স্বচ্ছতা আৰু গতি অনাৰ লক্ষ্যৰে আৰম্ভ কৰা শিক্ষা সেতু এপে শিক্ষাৰ্থী আৰু শিক্ষকৰ উপস্থিতি সুশৃংখলিত কৰি তোলাৰ উপৰি ৰাজ্যৰ বিদ্যালয়সমূহত সমতা ৰক্ষা কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষা সেতু এপৰ এই সফলতাত আনন্দ প্ৰকাশ কৰি সমগ্ৰ শিক্ষা অভিযানৰ দলটোলৈ অভিনন্দন জনাইছে। এই ৰাষ্ট্ৰীয় স্বীকৃতিয়ে অসমৰ শিক্ষা খণ্ডক উন্নয়নৰ দিশত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত সকলোৰে সদিচ্ছাক অধিক দৃঢ় কৰি তুলিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

এই অনুষ্ঠানতে কালি তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাললৈ প্ৰশাসনীয় দিশত গ্ৰহণ কৰা উল্লেখনীয় ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰীৰ উৎকৰ্ষতা বঁটা আগবঢ়োৱা হয়। **জিলাসমূহৰ সামগ্ৰিক উন্নয়ন** শাখাত দেশৰ ভিতৰতে তিনিচুকীয়া জিলা প্ৰশাসনে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৰ্ষ বঁটা লাভ কৰে। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাৰ আয়ুক্তগৰাকীয়ে বিগত বৰ্ষত প্ৰশাসনিক দিশত তেওঁৰ সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা লাভ কৰিছিল। জিলাখনত জাৱৰ নিষ্কাষণৰ ক্ষেত্ৰত লোৱা উদ্ভাৱনীমূলক পদক্ষেপৰ বাবে যোৱা মাৰ্চত দেশৰ এখন আগশাৰীৰ কাকতে সুপ্ৰশাসনৰ বাবে দেশৰ অন্যতম জিলা দণ্ডাধীশ হিচাপেও তেওঁক সন্মানিত কৰিছিল।

0000000

অৰুণাচল প্ৰদেশৰ নামচাইত কালিৰে পৰা অনুষ্ঠিত বুদ্ধ ধম্ম আৰু উত্তৰ-পূবৰ সংস্কৃতি শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তনৰ আজি  সামৰণি পৰিব। আজি নামচাইৰ বিখ্যাত গ'ল্ডেন পেগোডাত বিশ্ব শান্তিৰ বাবে

প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। কালি ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ছাওনা মেইনে এই অভিৰৰ্তন উদ্বোধন কৰে। কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ মহাসংঘই এই অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত গুৱাহাটীস্থিত ভূটানৰ কনচ'ল জেনেৰেল জিগমে থিন্‌লে নামগিয়াল, আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ মহাসংঘৰ সঞ্চালক অভিজিত হালদাৰৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কালি প্ৰথম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে উত্তৰ-পূবৰ কলা-সংস্কৃতি আৰু ইতিহাসৰ ওপৰত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ সন্দৰ্ভত তিনিখন আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত কম্বোদিয়া, ম্যানমাৰ, থাইলেণ্ড আৰু ভূটানৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ বৌদ্ধ ভিক্ষুসকলে অংশগ্ৰহণ কৰিছে।

ooooo

অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি বিভাগৰ গৱেষক ছাত্ৰ তথা নলবাৰীৰ বেলশৰৰ সন্তান মৃগাংক বৰ্মনক এছিয়াৰ অন্যতম কৃষি সন্মিলন আন্তঃৰাষ্ট্ৰীয় কৃষি সন্মিলনত ভাৰতৰ সমন্বয়ক হিচাপে স্বীকৃতি দিয়া হৈছে। এই সন্মিলনত বিশ্বৰ নানা দেশৰ আগশাৰীৰ কৃষি বিজ্ঞানী, গৱেষক, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চলিত বছৰৰ ছেপ্টেম্বৰত থাইলেণ্ডৰ বেংককত হ'বলগীয়া এই সন্মিলনত বিশ্বৰ কৃষি গৱেষণাৰ অগ্ৰগতি, খাদ্য সুৰক্ষাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে থাইলেণ্ডত অনুষ্ঠিত সন্মিলনত মৃগাংক বৰ্মনে নিজৰ গৱেষণা পত্ৰ উপস্থাপনেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ কৃষি ব্যৱস্থাক আলোকপাত কৰিছিল।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ চলিত সংস্কৰণত নিজৰ ষষ্ঠ বিজয় সাব্যস্ত কৰে। ১৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি কলকাতা দলটোৱে নিৰ্ধাৰিত ২০ অভাৰ অজিংক্যা ৰাহানেৰ অৰ্ধশতক সত্বেও ৫টা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ প্ৰসিধ কৃষ্ণা আৰু ৰাছিদ খানে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মহম্মদ ছিৰাজ, ঈশান্ত শৰ্মা, ৱাছিংটন সুন্দৰ আৰু ৰবি শ্ৰীনিবাসন ছাই কিশোৰে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ১৯৮ ৰান কৰে। দলৰ হৈ অধিনায়ক শুভমন গিলে ৯০ আৰু ছাই সুদৰ্শনে ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰা, হৰ্ষিত ৰাণা আৰু আন্দ্ৰে ৰাছেলে এটাকৈ উইকেট লাভ কৰে। এই জয়ৰ সুবাদত গুজৰাট টাইটানছে মুঠ ১২ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থান লাভ কৰাৰ বিপৰীতে কলকাতাৰ দলটো ৬ পইণ্টেৰে সপ্তম স্থানত আছে

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ডেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

**সমাপ্ত**